**5 SEM TDC ASM M 2**

# 2014

( November )

## ASSAMESE

( Major )

Course : 502

( অসমীয়া নাটক )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু আৰু পোনপটীয়া উত্তৰ দিয়াঁ : ১×৮=৮

(ক) অসমীয়া নাট্য-সাহিত্যৰ জনক বুলি কাক কোৱা হয় ?

(খ) 'এটা চোলাৰ কাহিনী'ৰ বাহিৰে আলি হাইদৰৰ আন এখন নাটকৰ নাম লিখাঁ।

(গ) প্ৰথম অসমীয়া গ্ৰন্থৰূপত প্ৰকাশিত ঐতিহাসিক নাটকখনৰ নাম কি ?

(ঘ) 'গাঁওবুঢ়া' কোন শ্ৰেণীৰ নাটক ?

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটকখনৰ নাম লিখাঁ।

(চ) ''শক্তিৰ অধিকাৰ! শক্তিৰ অধিকাৰ! এৰা, শক্তিৰেই অধিকাৰ-বলীৰেই অখণ্ড প্ৰতাপ...'' সংলাপটো কোনে কৈছিল?

(ছ) 'এটা চোলাৰ কাহিনী' নাটকত দৰ্জী-বিবিৰ কবি-পুত্ৰ কেনে ৰঙৰ এটা চোলা চিলোৱাৰ পক্ষপাতী?

(জ) 'অঙ্কাৱলী'ৰ সম্পাদক কোন?

২। (ক) অসমৰ আধুনিক ৰংগমঞ্চৰ বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) স্বাধীনতা-পূৰ্বকালৰ অসমীয়া নাটকৰ গতি-প্ৰকৃতি সম্পৰ্কে চমু আলোচনা আগবঢ়োৱাঁ।

৩। (ক) 'ৰামবিজয়' নাট ৰচনাৰ ক্ষেত্ৰত নাট্যকাৰে মূল বা আধাৰ-গ্ৰন্থ 'ৰামায়ণ'ৰ পৰা আঁতৰি আহি মৌলিকতা প্ৰদৰ্শন কৰা যি কোনো পাঁচোটা বিষয়ৰ আলোচনা আগবঢ়োৱাঁ। ১৩

*অথবা*

(খ) 'ৰামবিজয়' নাটৰ আধাৰত নাট্যকাৰ শংকৰদেৱৰ মৌলিক প্ৰতিভা সম্পৰ্কে আলোচনা কৰাঁ।

৪। (ক) 'গাঁওবুঢ়া' নাটকত প্ৰকাশ পোৱা হাস্যৰসৰ লগতে কাৰুণ্যৰ চিত্ৰৰ বিষয়ে বিৱৰি লিখাঁ। ৬+৬=১২

*অথবা*

(খ) 'গাঁওবুঢ়া' নাটকত প্ৰতিফলিত তৎকালীন সমাজজীৱনৰ চিত্ৰৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ১২

৫। (ক) " 'ৰূপালীম' নাটকৰ চতুৰ্থ অংক মহাকবি কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' নাটকৰ চতুৰ্থ অংকৰ দৰেই গৰিমাময়।" কথাষাৰৰ তাৎপৰ্যৰে 'ৰূপালীম' নাটকৰ চতুৰ্থ অংকটোৰ বৈশিষ্ট্য আলোচনা কৰাঁ। ১৩

*অথবা*

(খ) "ৰূপালীম নাট্যকাৰৰ আদৰ্শ চৰিত্ৰ নহয়; অথচ ৰূপালীম শিল্পী জ্যোতিপ্ৰসাদৰ শিল্পচেতনাৰ মানৱী ৰূপ।" কথাষাৰৰ আঁত ধৰি ৰূপালীম চৰিত্ৰটোৰ মাজেদি প্ৰকাশ পোৱা প্ৰেম আৰু ত্যাগৰ মহত্ত্ব বিশ্লেষণ কৰাঁ।

৬। (ক) 'এটা চোলাৰ কাহিনী' নাটকৰ কাহিনী বা বিষয়বস্তুৱে সমাজৰ কেনে চিত্ৰ-প্ৰতিফলন ঘটাইছে? লগতে তাৰ মাজেদি প্ৰকাশ পোৱা প্ৰগতিবাদী ধাৰণাৰ এটি আভাস দাঙি ধৰাঁ। ৬+৬=১২

*অথবা*

(খ) 'এটা চোলাৰ কাহিনী' নাটকৰ দৰ্জী আৰু বিবি চৰিত্ৰ দুটাৰ বিশ্লেষণ দাঙি ধৰাঁ। ৬+৬=১২

৭। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৪×২=৮

(ক) নান্দীশ্লোক

(খ) 'ৰূপালীম' নাটকৰ গীত

(গ) বাণ-ৰংগমঞ্চ

★★★